# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
**0000000000**

**Date :** 04-06-2025
**Time :** 19-10 hrs

## ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::

১।	কেন্দ্ৰীয় চৰকাৰে ২০২৭ চনত দুটা পৰ্যায়ত লোকপিয়ল অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।
২।	সংসদৰ বৰ্ষাকালীন অধিবেশন ২১ জুলাইত আৰম্ভ হ'ব।
৩।	চৰকাৰে দিল্লী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ বিৰুদ্ধে মহা অভিযোগ প্ৰস্তাৱ অনাৰ বাবে সকলো ৰাজনৈতিক দলৰ মাজত সহমত গঢ়ি তোলাৰ উদ্দেশ্যে কাম কৰি আছে।
৪।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অষ্ট্ৰেলিয়াৰ উপ প্ৰধানমন্ত্ৰী তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰিচাৰ্ড মাৰ্লেছে আজি ভাৰত অষ্ট্ৰেলিয়া সৰ্বাত্মক কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী কৰা সন্দৰ্ভত মত বিনিময় কৰে। ***আৰু***
৫।	ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ প্ৰথম আই পি এল খিতাপ জয়ৰ উদযাপনৰ সময়ত বেংগালুৰুৰ চিন্নাস্বামী ষ্টেডিয়ামৰ সমীপত হোৱা হেচা থেলাৰ ঘটনাত পদপৃষ্ঠ হৈ কমেও ছজন লোকে প্ৰাণ হেৰুৱাইছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ২০২৭ চনত দুটা পৰ্যায়ত লোকপিয়লৰ লগতে জাতিভিত্তিক গণনা  অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। লোকপিয়লৰ বাবে ২০২৭ চনৰ পহিলা মাৰ্চ ভিত্তি তাৰিখ বুলি গণ্য কৰা হ'ব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে, জম্মু-কাশ্মীৰ, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ বৰফাবৃত অঞ্চলসমূহৰ বাবে ২০২৬ চনত পহিলা অক্টোবৰ ভিত্তি তাৰিখ হ'ব। ভিত্তি তাৰিখৰ লগতে লোকপিয়লৰ অধিসূচনা ১৬ জুনত চৰকাৰী ৰাজপত্ৰৰ জৰিয়তে প্ৰকাশ কৰাৰ সম্ভাৱনা আছে। ইয়াৰ পূৰ্বে ২০১১ চনত দুটা পৰ্যায়ত লোকপিয়ল অনুষ্ঠিত হৈছিল। প্ৰথম পৰ্যায়ত ঘৰৰ সূচী  প্ৰস্তুত কৰা হৈছিল আৰু দ্বিতীয় পৰ্যায়ত জনসংখ্যাৰ গণনা কৰা হৈছিল।

০০০০০

সংসদৰ বৰ্ষাকালীন অধিবেশন ২১ জুলাইত আৰম্ভ হ'ব আৰু ১২ আগষ্টত এই অধিবেশনৰ সামৰণি পৰিব। নতুন দিল্লীত আজি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে এইকথা প্ৰকাশ কৰে। পেহেলগামৰ বৰ্বৰ সন্ত্ৰাসবাদী আক্ৰমণত ২৫ গৰাকী ভাৰতীয় এগৰাকী নেপালী নাগৰিকৰ মৃত্যুৰ প্ৰত্যাক্ৰমন স্বৰূপে আৰম্ভ কৰা অপাৰেছন সিন্দূৰৰ পাছত এয়া সংসদৰ প্ৰথমখন অধিবেশন হ'ব। অপাৰেছন সিন্দূৰৰ জৰিয়তে সশস্ত্ৰ বাহিনীসমূহ পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰত থকা সন্ত্ৰাসবাদী ঘাটিমসূহক লক্ষ্য কৰি আক্ৰমণ  চলাইছিল আৰু এই আক্ৰমণত এশৰো অধিক সন্ত্ৰাসবাদী নিহত হৈছিল। ইয়াৰ পূৰ্বে বিৰোধী পক্ষৰ দলসমূহে অপাৰেছন সিন্দূৰ সম্পৰ্কে আলোচনা কৰাৰ বাবে সংসদৰ বিশেষ অধিবেশন আহ্বান কৰিবলৈ দাবী জনাইছে।

০০০০০

চৰকাৰে দিল্লী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ বিৰুদ্ধে মহা অভিযোগ প্ৰস্তাৱ অনাৰ বাবে সকলো ৰাজনৈতিক দলৰ মাজত সহমত গঢ়ি তোলাৰ উদ্দেশ্যে কাম কৰি আছে। কেইমাহমান পূৰ্বে ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ চৰকাৰী বাসগৃহৰ পৰা বিপুল পৰিমাণৰ নগদ ধন উদ্ধাৰ হৈছিল। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিৰিজুৱে কয় যে ন্যায়াধীশ বাৰ্মাৰ বিৰুদ্ধে মহা অভিযোগৰ প্ৰস্তাৱ, ন্যায়পালিকাৰ দূৰ্নীতিৰ সৈতে জড়িত বিষয় আৰু ইয়াক লৈ ৰাজনীতিৰ কোনো অৱকাশ নাই। তেওঁ কয় যে ৰাষ্ট্ৰৰ হিতৰ বাবে ন্যায়পালিকা বা আন যিকোনো ক্ষেত্ৰৰ দূৰ্নীতি সন্দৰ্ভত আলোচনা হোৱা উচিত।

০০০০০

সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰে আজি নতুন দিল্লীত জ্যেষ্ঠ নাগৰিক ৰাষ্ট্ৰীয় পৰিষদৰ চতুৰ্থখন বৈঠকত সভাপতিত্ব কৰে। এই বৈঠকে বৰ্তমানৰ আঁচনিসমূহৰ পৰ্যালোচনা, বিভিন্ন প্ৰয়োজনীয়তাসমূহৰ বিষয়ে আলোচনা আৰু বিকশিত ভাৰত ২০৪৭ দৃষ্টিভংগীৰে সৈতে মিল থকা বিভিন্ন কাৰ্যসূচী নিৰ্ধাৰণৰ বাবে এখন গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে কাম কৰিব।

দেশৰ প্ৰতিগৰাকী জ্যেষ্ঠ নাগৰিকে যাতে মৰ্যদা, সন্মান আৰু সমাজত সক্ৰিয়ভাৱে জড়িত হৈ থাকিব পাৰে তাৰ ওপৰত পৰিষদে গুৰুত্ব আৰোপ কৰে। এই বৈঠকৰ সময়ছোৱাত পৰিষদে ৰাষ্ট্ৰীয় বয়োশ্ৰী যোজনা আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে সংহত কাৰ্যসূচীৰ অধীনত হোৱা অগ্ৰগতিৰ বিশদ পৰ্যালোচনাও কৰে।

০০০০০

ৰে'ল মন্ত্ৰালয়ে মহাৰাষ্ট্ৰত চেণ্ট্ৰেল ৰে'লৱেৰ অধীনত প্ৰায় ১২৯ কোটি টকা ব্যয় সাপেক্ষ মিৰাজ কৰ্ডলাইন প্ৰকল্পত অনুমোদন জনাইছে। ১ দশমিক ৭ - ৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই ৰে'ললাইনে ৰেল পৰিচালনা পদ্ধতি উন্নত কৰাৰ লগতে মিৰাজ জংছনৰ ভিৰ নিয়ন্ত্ৰণ কৰিব। মিৰাজ জংছন হৈছে - মিৰাজ -পুণে, মিৰাজ-কোলহাপুৰ আৰু মিৰাজ -লণ্ডাকে ধৰি মুখ্য ৰে'লপথসমূহ সংযোগ কৰাৰ মূল কেন্দ্ৰ। এই প্ৰকল্পৰ দ্বাৰা পশ্চিম মহাৰাষ্ট্ৰ ৰে'লৱেৰ মালবাহী আৰু যাত্ৰীবাহী ৰেলসেৱাৰ উন্নতি সাধন হ'ব বুলি আশা কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অষ্ট্ৰেলিয়াৰ উপ প্ৰধানমন্ত্ৰী তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰিচাৰ্ড মাৰ্লেছ আজি ভাৰত অষ্ট্ৰেলিয়া সৰ্বাত্মক কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ বাবে মত বিনিময় কৰে। অষ্ট্ৰেলিয়াৰ উপ প্ৰধানমন্ত্ৰীগৰাকীয়ে নতুন দিল্লীত শ্ৰীমোদীক সাক্ষাৎ কৰি সীমান্ত অঞ্চলত সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ যুজত নিজৰ সমৰ্থন ব্যক্ত কৰে। দুয়োগৰাকী নেতাই প্ৰতিৰক্ষা, উদ্যোগিক সহযোগিতা, স্থিতিস্থাপক যোগান শৃংখলতা, নতুন আৰু উদীয়মান প্ৰযুক্তিকে ধৰি মূল ক্ষেত্ৰত সহযোগিতা  বৃদ্ধিৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁলোকে কয় যে সুস্থিৰ, সুৰক্ষিত আৰু সমৃদ্ধিশালী ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বাবে পৰস্পৰৰ দৃষ্টিভংগী, দ্বিপাক্ষিক সহযোগিতাৰ বাবে অতি প্ৰয়োজনীয়। প্ৰধানমন্ত্ৰী  নৰেন্দ্ৰ মোদীয়ে অলপতে অষ্ট্ৰেলিয়াত হৈ যোৱা নিৰ্বাচনত লেবাৰ পাৰ্টীৰ ঐতিহাসিক বিজয়ৰ বাবে তেওঁক অভিনন্দন জনায়। তেওঁ ভাৰতত এই বছৰৰ শেষৰ ফালে অনুষ্ঠিত হ'বলগীয়া বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ কৰিবলৈ অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনী আলবানেজক নিমন্ত্ৰণ জনায়।

০০০০০

মধ্য প্ৰদেশৰ ঝাবুৱা জিলাত যোৱা নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত ৬ গৰাকী মহিলাসহ ৯ জন লোকৰ মৃত্যু হয়। চিমেণ্ট ভৰ্তি এখন ট্ৰাক চাৰিচকীয়া বাহন এখনৰ ওপৰত বাগৰি পৰাৰ ফলতেই শোকাবহ দুৰ্ঘটনাটো

সংঘটিত হয়। নিহত আটাইকেইজন লোকেই মেঘনগৰৰ বাসিন্দা আৰু এখন বিবাহ অনুষ্ঠানৰ পৰা উভতি আহি আছিল। আহত সকলক ওচৰৰ হাস্পতালত ভৰ্তি কৰোৱা হয়। ইয়াৰে এজনক সংকটজনক অৱস্থাত গুজৰাটৰ ডাহ'ড়লৈ স্থানান্তৰ কৰা হয়।

মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱে শোকাবহ দুৰ্ঘটনাটোত নিহত সকলৰ পৰিয়ালৰ লৈ ২ লাখ টকাকৈ আৰু আহত সকললৈ ৫০ হাজাৰ টকাৰ আৰ্থিক সাহায্য ঘোষণা কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঝাবুৱাৰ পথ দুৰ্ঘটনাত নিহত সকলৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত তেওঁ আহতসকলৰ আশু আৰোগ্য কামনা কৰাৰ লগতে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুজিৰ পৰা নিহত সকলৰ নিকটতম আত্মীয়লৈ ২ লাখ টকাকৈ আৰু আহত সকললৈ ৫০ হাজাৰ টকাৰ সাহায্য ঘোষণা কৰে।

ooooo

পাকিস্তানক প্ৰদান কৰা বিত্তীয় সাহায্যৰ অপব্যৱহাৰৰ সম্ভাৱনা সন্দৰ্ভত ভাৰতে এছিয় বিকাশ বেংকক সকিয়াই দিছে। ভাৰতে পাকিস্তানৰ বৰ্ধিত প্ৰতিৰক্ষা ব্যয় কৰ আৰু মুঠ ঘৰুৱা উৎপাদন জিডিপিৰ নিম্নগামী অনুপাত আৰু গুৰুত্বপূৰ্ণ স্থুল অৰ্থনীতি বিষয়ক সংস্কাৰৰ ক্ষেত্ৰত স্পষ্ট প্ৰগতিৰ অভাৱৰ পৰিপ্ৰেক্ষিতত বেংকৰ সম্পদসমূহৰ অপব্যৱহাৰৰ সম্ভাৱনাক লৈ গভীৰ চিন্তা প্ৰকাশ কৰিছে। ভাৰতে কৈছে যে, মুঠ ঘৰুৱা উৎপাদনৰ অংশ হিচাপে কৰ সংগ্ৰহ ২০১৮ বিত্তীয় বৰ্ষৰ ১৩ শতাংশৰ পৰা ২০২৩ বিত্তীয় বৰ্ষত ৯ দশমিক ২ শতাংশলৈ হ্ৰাস পাইছে। ভাৰতে আঞ্চলিক শান্তি আৰু সুৰক্ষাৰ বাবে অবিৰতভাৱে গুৰুতৰ বিপদাশংকা সৃষ্টি কৰা পাকিস্তানৰ বৰ্তমানৰ শাসন ব্যৱস্থালৈও আপত্তি দৰ্শাইছে। ভাৰতে প্ৰকাশ কৰা মতে, সন্ত্ৰাসবাদী সংগঠনলৈ পুজি যোগানৰ তদন্ত আৰু ৰাষ্ট্ৰসংঘই ঘোষণা কৰা সন্ত্ৰাসবাদী গোটৰ নেতাসকলৰ বিচাৰ তথা অপৰাধমূলক কাম-কাজৰ জৰিয়তে সংগ্ৰহ কৰা সম্পত্তি জব্দ কৰা সন্দৰ্ভত বিত্তীয় কাৰ্যবাহিনীৰ ব্যৱস্থাৰ অগ্ৰগতি সন্তোসজনক নহয়।

ooooo

ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ প্ৰথম আই পি এল খিতাপ জয়ৰ উদযাপনৰ সময়ত বেংগালুৰুৰ চিন্নাস্বামী ষ্টেডিয়ামৰ সমীপত হোৱা হেচা থেলাৰ ঘটনাত পদপৃষ্ঠ হৈ কমেও ছজন লোকে প্ৰাণ হেৰুৱাইছে। বিভিন্ন প্ৰৱেশদ্বাৰেৰে হাজাৰ হাজাৰ অনুৰাগীয়ে ততাতৈয়াকৈ ষ্টেডিয়ামত প্ৰৱেশৰ চেষ্টা চলোৱাৰ সময়ত এই হেচা থেলাৰ ঘটনা সংঘটিত হয়। এই ঘটনাত আহত লোকসকলক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

ooooo

নেডাৰলেণ্ডৰ প্ৰধানমন্ত্ৰী ডিক ছুফে তেওঁৰ ৰাজনৈতিক দল পাৰ্টী ফৰ ফ্ৰীডমে মিত্ৰজোটৰ চৰকাৰৰ পৰা ওলাই অহাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰীৰ পদ ত্যাগ কৰাৰ কথা ঘোষণা কৰিছে। শ্ৰীছুফে কয় যে তেওঁ আজি ৰজাৰ হাতত আনুষ্ঠানিকভাৱে পদত্যাগপত্ৰ অৰ্পন কৰিব। হেগত এখন সংবাদ মেলত শ্ৰীছুফে কয় যে তেওঁ কাৰ্যবাহী প্ৰধানমন্ত্ৰী হিচাপে দেশৰ মূল প্ৰত্যাহ্বানসমূহৰ সমাধানৰ বাবে কাম কৰি যাব। শ্ৰীছুফৰ নেতৃত্বত চৰকাৰখনে যোৱা বছৰ জুলাই মাহত কাৰ্যভাৰ গ্ৰহণ কৰিছিল।

ooooo

ৰেপোৰেট হ্ৰাস সন্দৰ্ভত সিদ্ধান্ত লোৱাৰ উদ্দেশ্যে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুদ্ৰানীতি সমিতিৰ বৈঠক আজি আৰম্ভ হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ সঞ্জয় মালহোত্ৰাৰ অধ্যক্ষতাৰ সমিতিখনৰ সিদ্ধান্ত অহা শুকুৰবাৰলৈ ঘোষণা কৰা হ'ব। বিশিষ্ট অৰ্থনীতিবিদ তথা বিশ্লেষকসকলৰ পূৰ্বানুমান অনুসৰি কেন্দ্ৰীয় বেংকটোৱে ৰেপ'ৰেট

তৃতীয় বাৰৰ বাবে ২৫ বেচিচ পইণ্ট হ্ৰাস কৰি ৫দশমিক ৭ - ৫ শতাংশ কৰাৰ সম্ভাৱনা আছে। আনহাতে, ভাৰতীয় ষ্টেট বেংকৰ সদ্য প্ৰকাশিত এখন প্ৰতিবেদনত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুদ্ৰাজনিত নীতিত ৰেপ'ৰেট ৫০ বেচিচ পইণ্ট হ্ৰাস কৰাৰ অনুমান কৰা হৈছে। উল্লেখযোগ্য যে ভাৰতীয় ৰিজাৰ্ভ বেংকে পূৰ্বৰ দুটা মুদ্ৰাজনিত নীতি সমীক্ষাত ৰেপ'ৰেট ৫০ বেচিচ পইণ্ট হ্ৰাস কৰি ৬ শতাংশ কৰিছে।

ooooo

ৰলেণ্ড গাৰোচত চলি থকা ফ্ৰেন্স অপেন টেনিচ প্ৰতিযোগিতাত বিশ্বৰ দ্বিতীয় বাচনিৰ খেলুৱৈ তথা পূৰ্বৰ ছেম্পিয়ন কাৰ্লোচ আলকাৰাজে আমেৰিকাৰ টমী প'লক ৬-০, ৬-১, ৬-৪ ছেটত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। উল্লেখযোগ্য যে আলকাৰাজে প্ৰতিদ্বন্দীক মাত্ৰ এঘণ্টা ৩৪ মিনিটতে পৰাস্ত কৰে।

২২ বছৰীয়া খেলুৱৈগৰাকীয়ে অহা শুকুৰবাৰে হ'বলগীয়া ছেমি ফাইনেলত ইটালীৰ লৰেঞ্জ মুচেটিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ